অধ্যায় ২ ঃ সাহিত্যদর্পণ - সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সাহিত্যদর্পণ গ্ৰন্থখনৰ পৰিচয়
২.৩.১ অধ্যায়সমূহৰ বিষয়বস্তু
২.৪ লিখকৰ পৰিচয়
২.৫ লিখকৰ অন্য গ্ৰন্থসমূহ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাহিত্যদর্পণ গ্ৰন্থখনৰ এটি চমু পৰিচয় পাব
- গ্ৰন্থখনিৰ অধ্যায়সমূহত সন্নিবিষ্ট হৈ থকা বিষয়বস্তুৰ জ্ঞান লাভ কৰিব
- গ্ৰন্থখনিৰ ৰচকৰ বিষয়েও জানিব পাৰিব
- লিখক বিশ্বনাথ কবিৰাজে ৰচনা কৰা অন্যান্য গ্ৰন্থসমূহৰো এটি আভাস লাভ কৰিব।

২.৩ সাহিত্যদর্পণ গ্ৰন্থখনৰ পৰিচয়

সংস্কৃত অলংকাৰ গ্ৰন্থসমূহৰ ভিতৰত বিশ্বনাথ কবিৰাজৰ সাহিত্যদর্পণ গ্ৰন্থখন সুপ্ৰসিদ্ধ। খৃষ্টীয় চতুৰ্দশ শতিকাত 'সাহিত্যদর্পণ' গ্ৰন্থখনি ৰচিত হৈছিল। বিশ্বনাথে পূৰ্ববৰ্তী ভৰতৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো আলংকাৰিকৰ তত্ত্বসমূহ পৰ্যালোচনা কৰি সাহিত্যদর্পণ ৰচনা কৰিছিল। সাহিত্যদর্পণত কাব্যৰ যাৱতীয় সকলো উপাদান যেনে, অলংকাৰ, গুণ, ৰস, ৰীতি, দোষ, ধ্বনি, কাব্যৰ স্বৰূপ, শব্দশক্তি, নাটকৰ স্বৰূপ আদি সকলোবোৰ বিষয় আলোচনা কৰা হৈছে। বিশ্বনাথৰ আগতে কাব্যশাস্ত্ৰৰ বক্ৰোক্তি, অলংকাৰ, ধ্বনি, ৰীতি ঔচিত্য আদি প্ৰায়বোৰ ধাৰণা প্ৰতিষ্ঠা হৈছিল। বিশ্বনাথে কিন্তু আনন্দবৰ্দ্ধনৰ ধ্বনিবাদক গ্ৰহণ কৰি ৰসক কাব্যৰ আত্মাৰূপে প্ৰতিষ্ঠা কৰিছিল। সেয়েহে বিশ্বনাথক ৰসধ্বনিবাদী আলংকাৰিক বুলিব পাৰি। কবিৰাজ বিশ্বনাথে কাব্যৰ সকলো উপাদানকে ৰসৰ দৃষ্টিভংগীৰে বিচাৰ কৰিছিল। কাব্যপ্ৰকাশৰ লিখক মম্মট আৰু ৰুয্যকৰ নাম যদিও সাহিত্যদর্পণত উল্লেখ কৰা নাই তথাপিও, এই দুয়োগৰাকী লিখকৰ গ্ৰন্থৰ পৰা বিশ্বনাথে

বহু তথ্য আহৰণ কৰিছে। সাহিত্যদর্পণৰ ষষ্ঠ পৰিচ্ছেদৰ বাদে অন্য পৰিচ্ছেদসমূহত মম্মটৰ কাব্যপ্রকাশৰ অনুকৰণ দেখিবলৈ পোৱা যায়।

সাহিত্যদর্পণৰ বিষয়সমূহ কাৰিকা আকাৰে শ্লোকত ৰচিত। শ্লোকসমূহৰ ওপৰত (ব্যাখ্যা) সাহিত্যদর্পণকাৰে কিছুমান ব্যাখ্যা লিখিছে। সেই সমূহক বৃত্তি বুলি কোৱা হয়। ইয়াৰ উপৰিও অন্যান্য গ্রন্থৰ মত বহুবাৰ তেওঁ খণ্ডন আৰু সমর্থন কৰিছে। সাহিত্যদর্পণৰ শ্লোকসমূহ সংস্কৃত আৰু প্রাকৃত দুয়োটা ভাষাতেই উপলব্ধ। শ্লোকসমূহৰ বেছিভাগেই সংস্কৃত সাহিত্যৰ প্রখ্যাত গ্রন্থসমূহৰ পৰা গ্রহণ কৰা হৈছে। ইয়াৰ উপৰিও বহুতো উদাহৃত শ্লোক বিশ্বনাথৰ স্বকীয় ৰচনা। এই কথা তেওঁ নিজেই উনুকিয়াই গৈছে। ইয়াৰ উপৰিও উদাহৰণসমূহ পিতৃৰ ৰচনাৰ পৰাও উদ্ধৃত কৰিছে।

কাব্যসমালোচনাশাস্ত্রৰ প্রাচীন নাম অলংকাৰ শাস্ত্র হ'লেও বিশ্বনাথে গ্রন্থখনিৰ নাম অলংকাৰ দর্পণ নাৰাখি সাহিত্যদর্পণ ৰাখিছে। কাব্যৰ সমার্থক সাহিত্যশব্দৰ প্রয়োগ কুন্তকৰ বক্রোক্তিজীৱিতত পোন প্রথমবাৰৰ বাবে পোৱা যায়। কাব্যৰ সকলো দিশেই চালিজাৰি সমালোচনা কৰা বাবে সাহিত্যদর্পণ নামটি সার্থক হৈছে। ইয়াৰ উপৰিও সাহিত্যদর্পণ গ্রন্থখনে নাটককো বাদ দিয়া নাই। নাট্যশাস্ত্র বা ধনঞ্জয়ৰ দশৰূপকৰ নিচিনাকৈ সাহিত্যদর্পণতো নাটকৰ বৈশিষ্ট্যৰ বিষয়েও আলোচনা কৰা হৈছে। কিন্তু অন্য আলংকাৰিকসকলে নাট্যশাস্ত্রৰ বিষয় আলোচনা কৰা নাই।

সাহিত্যদর্পণ মৌলিক গ্রন্থ নহয়। সাহিত্যদপর্ণকাৰে বেছিভাগ ক্ষেত্রত অলংকাৰসর্বস্ব আৰু কাব্যপ্রকাশক অনুসৰণ কৰিছে। পূর্ববর্তী আলংকাৰিকসকলৰ উদাহৰণো বিশ্বনাথে গ্রহণ কৰিছে। কিন্তু সেয়ে হ'লেও গ্রন্থখন অত্যন্ত লোকপ্রিয়। গ্রন্থখনৰ সকলোতকৈ ডাঙৰ বিশেষত্বটো হ'ল সমগ্রতা বা পূর্ণাংগতা। নাটকৰ বৈশিষ্ট্যসহ সমগ্র সাহিত্যশাস্ত্র আলোচনাই হৈছে এই গ্রন্থৰ উল্লেখযোগ্য গুণ। আন এটি বিশেষত্ব হ'ল গ্রন্থখনিৰ প্রকাশভংগীৰ সৰলতা। জগন্নাথ বা কাব্যপ্রকাশৰ কাঠিন্য সাহিত্যদর্পণত নাই।

ধ্বন্যালোক বা কাব্যপ্রকাশৰ তুলনাত সাহিত্যদর্পণক ম্লান যেন লাগিলেও বর্তমান গ্রন্থখনি সর্বজনসমাদৃত। পূর্বতে গ্রন্থখনি জনপ্রিয় নাছিল। সেইবাবেই হয়তো সাহিত্যদর্পণৰ প্রাচীন ভাষ্য তাকৰ। সাহিত্যদর্পণৰ পাঁচটা প্রাচীন টীকা উপলবদ্ধ— মহেশ্বৰ ভট্টৰ 'বিজ্ঞপ্রিয়া', অনন্তদাসৰ 'লোচন', ৰামচৰণৰ তর্কবাগীশৰ বিবৃতি,, মথুৰানাথ শুক্ল গোপীনাথৰ প্রভা। ইয়াৰ উপৰিও আচার্য কৃষ্ণমোহন শাস্ত্রীৰ 'লক্ষ্মী' টীকা বিশেষভাবে উল্লেখযোগ্য।



জানি থোৱা ভাল

কাব্যপ্রকাশ - মম্মটভট্টই ৰচনা কৰা এখন অলংকাৰশাস্ত্রৰ গ্রন্থ। কাব্যপ্রকাশ এখন প্রখ্যাত গ্রন্থ। এইখনি ১০৫০ৰ পৰা ১১০০ চনৰ ভিতৰত লিখা হৈছিল বুলি ঠাৱৰ কৰা হৈছে। বিশ্বনাথে কাব্যপ্রকাশৰ আলমত সাহিত্যদর্পণ ৰচনা কৰিছিল যদিও ঠায়ে ঠায়ে মম্মটক সমালোচনাও কৰিছে। অলংকাৰসর্বস্ব — অলংকাৰসর্বস্বৰ লিখক ৰুয্যক। গ্রন্থখনি ১১৩৫ খৃষ্টাব্দৰ পৰা ১১৫০

খৃষ্টাব্দৰ ভিতৰত ৰচিত হৈছিল। বিশ্বনাথে অলংকাৰসর্বস্বক যথেষ্ট অনুসৰণ কৰিছে। কাব্যালংকাৰসমূহ বিচাৰ কৰোতে অলংকাৰসর্বস্বৰ পৰা হুবহু উদ্ধৃত কৰা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাহিত্যদর্পণ কি বিষয়ক গ্রন্থ?

.....

প্রশ্ন নং ২ ঃ সাহিত্যদর্পণৰ ওপৰত ৰচিত এটি টীকাৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ কাব্যপ্রকাশৰ ৰচয়িতা কোন?

.....

২.৩.১ অধ্যায়সমূহৰ বিষয়বস্তু

এতিয়া আমি সাহিত্যদর্পণ গ্রন্থৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিম।

সাহিত্যদর্পণত মুঠ দহটা অধ্যায় আছে। অধ্যায়সমূহক পৰিচ্ছেদ হিচাবে জনা যায়। প্রত্যেক পৰিচ্ছেদৰ বিষয়বস্তু তলত আগবঢ়োৱা হ'ল।

প্রথম পৰিচ্ছেদ

গ্রন্থৰ নির্বিঘ্নে পৰিসমাপ্তিৰ বাবে গ্রন্থকাৰে আৰম্ভণিতেই সৰস্বতী দেৱীৰ উদ্দেশ্যে মঙ্গলাচৰণ কৰিছে। গ্রন্থৰ বিষয়বস্তুৰ আৰম্ভণিৰ পূর্বে গ্রন্থৰ প্রতিপাদ্য বিষয়, গ্রন্থৰ পাঠকৰ যোগ্যতা, বিষয় আৰু গ্রন্থৰ সম্পর্ক, এই সকলোবোৰ আলোচনা কৰিছে। ইয়াৰ পিছত কাব্য অধ্যয়নৰ ফল সম্পর্কেও আলোচনা কৰিছে। এই প্রসংগৰ সমর্থনত অগ্নিপুৰাণ, ভামহ আদিৰ উক্তিৰ উদ্ধৃতি দিছে। ইয়াৰ পিছত বিশ্বনাথে পূর্ববর্তী প্রায় সকলো আলংকাৰিকৰ কাব্যসম্পর্কীয় মতসমূহ খণ্ডন কৰিছে। মম্মট, ভোজ, অগ্নিপুৰাণ, ব্যক্তিবিবেককাৰ মহিমভট্ট, বামন আদি সকলোৰে কাব্যৰ স্বৰূপসম্পর্কীয় মত বিচাৰ খণ্ডন কৰি ধ্বনিবাদী আনন্দবর্দ্ধনৰ 'কাব্যৰ আত্মা ধ্বনি' এই মতৰ সমর্থনেৰে কাব্যৰ আত্মা ৰস বুলি প্রতিপাদন কৰিছে। এইখিনিয়েই হৈছে প্রথম পৰিচ্ছেদৰ বিষয়বস্তু।

দ্বিতীয় পৰিচ্ছেদ

প্রথম পৰিচ্ছেদত 'ৰসাত্মক বাক্যই কাব্য' বুলি কাব্যৰ সংজ্ঞা প্রদান কৰাৰ পিছত দ্বিতীয় পৰিচ্ছেদত বাক্যৰ স্বৰূপ ব্যাখ্যা কৰিছে। বাক্য কি, ইয়াৰ অর্থ কিদৰে জানিব পাৰি ইত্যাদি বিষয়সমূহো এই পৰিচ্ছেদত আলোচনা কৰিছে। বাক্যৰ সমষ্টিক মহাবাক্য আৰু পদৰ সমষ্টিয়েই বাক্য বুলি কৈ বর্ণ বা পদৰো সংজ্ঞা নিৰূপণ কৰিছে। শব্দসমূহে নিজৰ নিজৰ অর্থ প্রকাশ কৰি বাক্যত এটি সামূহিক অর্থ প্রকাশ কৰে। এই অর্থ আকৌ তিনি প্রকাৰৰ— বাচ্যার্থ, লক্ষ্যার্থ আৰু ব্যঙ্গার্থ। শব্দৰ একো একোটা অর্থ বুজোৱা শক্তি বাচ্যার্থ। অভিধা বা বাচ্যার্থক অৱলম্বন কৰি প্রতীয়মানার্থ বা লক্ষ্যার্থ

প্ৰকাশ হয়। শব্দৰ অন্য শক্তিসমূহে নিজৰ অৰ্থ প্ৰকাশ কৰাৰ পাছত শব্দাৰ্থৰ যি শক্তিৰ দ্বাৰা আন এটা অৰ্থৰ বোধ হয়, সেই শক্তিয়েই ব্যঞ্জনা শক্তি। ইয়াৰ লগতে লক্ষণা আৰু ব্যঞ্জনাৰ ভাগসমূহো উপস্থাপন কৰিছে। ইয়াৰ উপৰিও তাৎপৰ্যবৃত্তিয়ে প্ৰতিপাদন কৰা তাৎপৰ্যাৰ্থৰ কথাও বিশ্বনাথ কবিৰাজে উনুকিয়াইছে।

তৃতীয় পৰিচ্ছেদ

'ৰসাদিনিৰূপন' নামৰ তৃতীয় পৰিচ্ছেদত ৰসৰ বিষয়ে আলোচনা কৰা হৈছে। 'ৰসাত্মক বাক্যই কাব্য' বুলি কৈ দ্বিতীয় পৰিচ্ছেদত বাক্যৰ আলোচনাৰ পিছত ৰসৰ স্বৰূপ আলোচনা কৰা হৈছে। প্ৰথমতেই ৰসনো কি এই কথা ক'বলৈ গৈ ৰসাস্বাদ ৰসানুভূতিৰ কথা উল্লেখ কৰিছে। মানুহৰ অন্তৰত থকা স্থায়ীভাৱসমূহ বিভাৱ, অনুভাৱ আৰু সঞ্চাৰীভাৱৰ সহযোগত ৰসত্ব প্ৰাপ্ত হয়। নটা ৰসৰ প্ৰত্যেকটোৰে একোটা স্থায়ীভাৱৰ লক্ষণ, তাৰ লগতে বিভাব, অনুভাব আৰু সঞ্চাৰীভাবসমূহৰো বিশ্লেষণ এই পৰিচ্ছেদত কৰা হৈছে। আলম্বনবিভাবৰ প্ৰসংগত নায়ক-নায়িকাৰ ভেদ আৰু লক্ষণসমূহো আলোচনা কৰা হৈছে। নায়ক-নায়িকাৰ লগতে, তেওঁলোকৰ সহায়ক চৰিত্ৰ বিদুষক, বিট, চেট, শকাৰ, পীঠমৰ্দ আদি চৰিত্ৰসমূহৰো বিশদভাৱে বৰ্ণনা কৰা হৈছে।

ৰসৰ প্ৰসংগতে ৰসৰ আনুষংগিক ৰসাভাস, ভাবাভাস, ভাবশান্তি, ভাবোদয়, ভাবসন্ধি আৰু ভাবশৱলতা আদিৰো বৰ্ণনা কৰিছে।

চতুৰ্থ পৰিচ্ছেদ

চতুৰ্থ পৰিচ্ছেদত কাব্যৰ শ্ৰেণীবিভাগ কৰা হৈছে। কাব্য দুই প্ৰকাৰৰ— ধ্বনি কাব্য আৰু গুণীভূতব্যংগ কাব্য। বাচ্যাৰ্থতকৈ ব্যঙ্গাৰ্থ অধিক চমৎকাৰজনক হ'লে ধ্বনিকাব্য বোলা হয়। ধ্বনি কাব্যই উত্তম কাব্য। ধ্বনিকাব্যৰ প্ৰসংগত ধ্বনিৰো বিভাজনসমূহ দেখুওৱা হৈছে। ধ্বনি দুই প্ৰকাৰৰ— লক্ষণামূলক আৰু অভিধামূলক। প্ৰথমবিধক অবিৱক্ষিত বাচ্যধ্বনি আৰু দ্বিতীয়বিধক বিৱক্ষিতান্যপৰ বাচ্যধ্বনি বোলা হয়। প্ৰথমবিধ আকৌ অৰ্থান্তৰসংক্ৰমিত আৰু অত্যন্ততিৰস্কৃত এই দুভাগত বিভক্ত। এইদৰে সুক্ষ্মভাগ কৰি বহুসংখ্যক ধ্বনিৰ উল্লেখ কৰিছে। গুণীভূতব্যংগত আকৌ ব্যঙ্গ্যাৰ্থতকৈ বাচ্যাৰ্থ উত্তম হয়। এনে কাব্যৰ ভেদ আঠ প্ৰকাৰৰ বুলি উল্লেখ কৰিছে। ব্যঙ্গ্যৰ প্ৰাধান্য আৰু গৌণতাৰ দ্বাৰা দুই প্ৰকাৰৰ কাব্য প্ৰদৰ্শিত হোৱাৰ পিছত অৱশিষ্ট কাব্যসমূহ চিত্ৰকাব্য বা অধমকাব্য বুলি অভিহিত কৰি ধ্বনি আৰু গুণীভূতব্যংগ্যৰূপে 'কাব্যৰ ভেদ নিৰূপণ' নামৰ চতুৰ্থ পৰিচ্ছেদৰ সমাপ্তি ঘটিছে।

পঞ্চম পৰিচ্ছেদ

পঞ্চম পৰিচ্ছেদটিৰ নাম 'ব্যঞ্জনা নিৰূপণ'। চতুৰ্থ পৰিচ্ছেদত ধ্বনিৰ আলোচনা কৰিবলৈ গৈ ব্যঞ্জনাবৃত্তিৰ প্ৰসংগ আহি পৰিছে। এই ব্যঞ্জনাবৃত্তিনো কি পঞ্চম পৰিচ্ছেদত আলোচনা কৰা হৈছে। অভিধা, লক্ষণা আৰু তাৎপৰ্য বৃত্তিৰ পিছত ব্যঞ্জনা চতুৰ্থবৃত্তি।

স্বৰূপাৰ্থত ব্যঞ্জনাবৃত্তি আৰু তাৎপৰ্যবৃত্তি প্ৰায় একে। বিশ্বনাথে ব্যঞ্জনাৰ স্বৰূপ উল্লেখ কৰিবলৈ গৈ উদয়নৰ ন্যায়কুসুমাঞ্জলীৰ পৰা উদ্ধৃতি দিছে। পদসমূহৰ অন্বয় হৈ বাক্য নিৰাকাঙ্ক্ষ হ'লে, সেই বাক্যই অন্য অৰ্থ নিবিচাৰে। পদৰ অন্বয়বোধত বাধা জন্মিলে অন্য অৰ্থ আক্ষেপৰ দ্বাৰা সংগতি ৰক্ষা হয়। ব্যঞ্জনাবৃত্তিয়ে ধ্বনিক প্ৰকাশ কৰে। সেয়েহে ধ্বনিবিৰোধী মহিমভট্টৰ মত খণ্ডন কৰি ধ্বনি প্ৰতিবাদন কৰা হৈছে।

ষষ্ঠ পৰিচ্ছেদ

দৃশ্য আৰু শ্ৰব্যভেদে কাব্যৰ দৃশ্যকাব্যৰ দুটা ভাগ। এই দুয়োপ্ৰকাৰ কাব্যৰ বিষয়ে ষষ্ঠ পৰিচ্ছেদত আলোচনা কৰা হৈছে। দৃশ্যকাব্যসমূহ হ'ল যিবোৰৰ অভিনয় কৰা হয়। বিশ্বনাথে দৃশ্যকাব্যসমূহক ৰূপক আৰু উপৰূপক আখ্যা দিছে। দৃশ্যকাব্যসমূহ যিহেতু অভিনয়যোগ্য, সেইবাবে অভিনয়ৰ লক্ষণো নিৰূপণ কৰা হৈছে। অভিনয়ৰ চাৰিটা ভাগ, ৰূপকৰ দশটা ভাগ আৰু উপৰূপকৰ ওঠৰটা ভাগৰ বৈশিষ্ট্যও বিশদভাৱে আলোচনা কৰা হৈছে। নান্দী, প্ৰস্তাৱনা, গৰ্ভাঙ্ক, সন্ধি, পতাকাস্থান, অৰ্থোপক্ষেপক, অৰ্থপ্ৰকৃতি ইত্যাদি নাটকীয় পাৰিভাষিক ধাৰণাবিলাকো সম্যগৰূপে বিবেচনা কৰা হৈছে।

ইয়াৰ পিছত শ্ৰব্যকাব্যসমূহকো পদ্যাত্মক আৰু গদ্যাত্মক এই দুটা ভাগত ভাগ কৰিছে। খণ্ডকাব্য, কোষকাব্য আদি কথাও ষষ্ঠ পৰিচ্ছেদত আলোচিত হৈছে। লগতে মহাকাব্যৰ স্বৰূপো বিশদভাৱে বৰ্ণনা কৰা হৈছে। গদ্যৰ শ্ৰেণীবিভাজন চাৰিটা আৰু গদ্যকাব্যৰ কথা আৰু আখ্যায়িকা ভাগদ্বয়ৰ বিষয়েও ষষ্ঠ পৰিচ্ছেদত পোৱা যায়। সৰ্বশেষত গদ্য পদ্যাত্মক শ্ৰব্যকাব্য চম্পূ, বিৰূপ আৰু কৰম্ভক আদিৰ বিষয়ে উল্লেখ কৰিছে।

সপ্তম পৰিচ্ছেদ

সপ্তম পৰিচ্ছেদত কাব্যৰ দোষৰ বিষয়ে আলোচনা কৰা হৈছে। ৰসৰ অপকৰ্ষ সাধন কৰাবোৰক দোষ বুলি কোৱা হয়। এই দোষ পাঁচপ্ৰকাৰৰ— পদ, পদাংশ, বাক্য, অৰ্থ আৰু ৰসদোষ। ইয়াৰ ভিতৰত পদ, পদাংশ আৰু বাক্যগত দোষ শ্ৰৱণ বা পঠনৰ লগতে স্পষ্ট হয়। অৰ্থদোষসমূহ অৰ্থগ্ৰহণৰ দ্বাৰা আৰু ৰসদোষসমূহ ৰসস্বাদৰ দ্বাৰা বোধগম্য হয়।

পদ, পদাংশ আৰু বাক্যগত দোষসমূহক অশ্লীলত্ব দুঃশ্ৰাৱত্ব ইত্যাদি তেৰটা ভাগত ভাগ কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত দোষো গুণত পৰিণত হয়। সেই কথাও সাহিত্যদৰ্পণৰ সপ্তম পৰিচ্ছেদত বৰ্ণনা কৰা হৈছে।

অষ্টম পৰিচ্ছেদ

অষ্টম পৰিচ্ছেদত কাব্যৰ গুণৰ কথা বৰ্ণনা কৰা হৈছে। প্ৰাণীৰ শৰীৰৰ আত্মাৰ শৌৰ্য্যবীৰ্য্যাদিৰ দৰে। কাব্য শৰীৰৰ সাৰতত্ব ৰসৰ মাধুৰ্য্য, ওজঃ আদিক গুণ বোলা হয়। গুণ তিনি প্ৰকাৰ বুলি উল্লেখ কৰিছে— মাধুৰ্য্য, ওজঃ আৰু প্ৰসাদ। চিত্তক দ্ৰৱীভূত কৰা আনন্দই মাধুৰ্য। এই মাধুৰ্য সম্বোগশৃংগাৰ, কৰুণ, বিপ্ৰলম্ভ আৰু শান্তৰসত ক্ৰমান্বয়ে

অধিকভাৱে অভিব্যঞ্জিত হয়। চিত্তৰ বিস্তাৰৰূপ দীপ্ত অৱস্থাক ওজঃ বোলে। ই বীৰ বীভৎস আৰু ৰৌদ্ৰৰসত ক্ৰমশঃ অধিকভাবে অভিব্যক্ত হয়। শুনামাত্ৰেই অৰ্থবোধ হ'লেই প্ৰসাদগুণযুক্ত হয়। কোনটো গুণ কোনবিলাক বৰ্ণৰ সংযোগত অধিকভাৱে পৰিস্ফুট হয় তাকো অষ্টম পৰিচ্ছেদত বৰ্ণনা কৰা হৈছে।

প্ৰাচীন আলংকাৰিকসকলে তিনিটাতকৈ অধিক গুণ স্বীকাৰ কৰিছিল। সেই গুণসমূহ মাধুৰ্য ওজঃ আৰু প্ৰসাদ গুণৰ বাহিৰে বাকী গুণসমূহো এই তিনিটাৰেই অন্তৰ্ভুক্ত বুলিয়ে দৰ্পণকাৰে স্পষ্টৰূপে প্ৰকাশ কৰিছে। আকৌ প্ৰাচীন আলংকাৰিকসকলৰ শব্দ আৰু অৰ্থভেদে দুই প্ৰকাৰ গুণৰ কথা এই পৰিচ্ছেদত উল্লেখ কৰিছে।

নৱম পৰিচ্ছেদ

নৱম পৰিচ্ছেদত ৰীতিৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰাণীৰ শৰীৰত অঙ্গ সংস্থাপনৰ দৰেই কাব্যত উপযুক্ত স্থানত বিশেষ পদৰ যোজনাই ৰীতি। ৰীতি চাৰি প্ৰকাৰৰ। এই ৰীতিকেইটাই ৰসৰ উপকাৰ সাধন কৰে। বৈদৰ্ভী, গৌড়ী, পাঞ্চালী ৰীতিৰ লগত সাহিত্যদৰ্পণকাৰে চতুৰ্থৰীতি লাটীৰো সংযোজন ঘটাইছে। ৰীতিসমূহৰ সংজ্ঞা নিৰূপণ কৰি দৰ্পণকাৰে ৰুদ্ৰট, পুৰুষোত্তম, ভোজৰাজ ইত্যাদি পূৰ্ববৰ্তী আচাৰ্যসকলৰ মতো উল্লেখ কৰিছে। সৰ্বশেষত বক্তা, বাচ্য, প্ৰবন্ধ আদিৰ বিশেষত্বৰ ঔচিত্য অনুসৰি ৰীতি প্ৰয়োগৰ ব্যতিক্ৰমৰ বিষয়েও আলোচনা কৰা হৈছে।

দশম পৰিচ্ছেদ

দশম পৰিচ্ছেদত কাব্যৰ অলংকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। বিশ্বনাথ কবিৰাজে অলংকাৰক কাব্যৰ শোভাবৰ্দ্ধক, ৰসৰ পৰিপোষক, শব্দাৰ্থৰ অস্থিৰ ধৰ্ম বুলি সংজ্ঞা দিছে। অলংকাৰ যিহেতু শব্দাৰ্থৰ ধৰ্ম, ইয়াৰ প্ৰকাৰো দুই ধৰণৰ। শব্দালংকাৰ আৰু অৰ্থালংকাৰ। দশম পৰিচ্ছেদত প্ৰথমেই শব্দালংকাৰসমূহ যেনে অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি আদিৰ আলোচনা কৰিছে। ইয়াৰ উপৰিও পদ্মবন্ধ আদি চিত্ৰকাব্য আৰু প্ৰহেলিকাৰো উল্লেখ কৰিছে।

সাদৃশ্যমূলক অলংকাৰসমূহৰ উপমাই আশ্ৰয় বাবে উপমাৰ সাতাইছটা ভাগৰ কথা সাহিত্যদৰ্পণকাৰে পৰিচ্ছেদটিত উল্লেখ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ সাহিত্যদৰ্পণৰ দ্বিতীয় পৰিচ্ছেদত কিহৰ বিষয়ে আলোচনা কৰা হৈছে।

.....

প্ৰশ্ন নং ৫ ঃ সাহিত্যদৰ্পণত মুঠ কেইটা পৰিচ্ছেদ আছে।

.....

প্ৰশ্ন নং ৬ ঃ সাহিত্যদৰ্পণৰ মঙ্গলাচৰণ শ্লোকত কাৰ স্তুতি কৰা হৈছে।

.....

২.৪ লিখকৰ পৰিচয়

সাহিত্যদর্পণৰ প্ৰণেতা বিশ্বনাথ কবিৰাজ উৎকলদেশীয় আলংকাৰিক। নিজৰ বিষয়ে আলংকাৰিকগৰাকীয়ে বিশেষ উল্লেখ কৰা নাই। নিজৰ গ্ৰন্থসমূহৰ পৰা তেখেতৰ বিষয়ে কিছু তথ্য সংগ্ৰহ কৰা যায়। তেখেতৰ জন্ম এটি বিদ্বান ব্ৰাহ্মণ পৰিয়ালত হৈছিল। বিশ্বনাথ কবিৰাজৰ পিতামহৰ নাম আছিল নাৰায়ণ। তেখেতো বিদ্বান আলংকাৰিক আছিল। তেখেতৰ পিতৃ চন্দ্ৰশেখৰো এগৰাকী মহান কবি আছিল। 'পুষ্পমালা' আৰু 'ভাষাৰ্ণৱ' তেখেতৰ পিতৃৰ ৰচনা। বিশ্বনাথ কবিৰাজ আৰু তেখেতৰ পিতৃ দুয়োয়েই কলিংগৰজাৰ সভাত সন্ধিবিগ্ৰহিক পদত অলংকৃত কৰিছিল। প্ৰথম পৰিচ্ছেদৰ অন্তত আৰু সাহিত্যদর্পণৰ শেষৰ শ্লোকটিত নিজে বৈষ্ণব বুলি বিশ্বনাথ কবিৰাজে উল্লেখ কৰিছে।

বিশ্বনাথ কবিৰাজৰ কাল নিৰূপণ বিশেষ কঠিন নহয়। বিশ্বনাথে একাদশ শতিকাৰ মম্মটৰ মত উল্লেখ কৰিছে আৰু পঞ্চদশ শতিকাৰ জগন্নাথে বিশ্বনাথক সমালোচনা কৰিছে। সুনির্দিষ্ট কাল নিৰূপণৰ বাবে পি ভি কানে মহাশয়ে বাহ্য আৰু আভ্যন্তৰ দুই প্ৰকাৰ প্ৰমাণৰ আশ্ৰয় লৈছে। বাহ্যকাৰণ জম্মুত সংৰক্ষিত এটি সাহিত্যদর্পণৰ সংস্কৰণত ৰচনাৰ কাল ১৪৪০ বিক্ৰম সংবত (১৩৮৪ খ্ৰীষ্টাব্দ) বুলি উল্লেখ আছে। বিশ্বনাথে নিজেই চুলতান আলাউদ্দিন খিলিজিৰ উল্লেখ কৰিছে। চুলতানৰ মৃত্যু ১৩১৬ খৃষ্টাব্দত হয়। গতিকে সাহিত্যদর্পণ ৰচনাৰ কাল এই সময়ৰ পূৰ্ৱৱৰ্তী হ'ব।

আভ্যন্তৰীণ প্ৰমাণত বিশ্বনাথে বাৰশ শতিকাৰ গীতগোবিন্দৰ লিখক কবি জয়দেৱক উল্লেখ কৰিছে। ইয়াৰ উপৰিও অন্য এগৰাকী ত্ৰয়োদশ শতিকাৰ নাট্যকাৰ জয়দেবৰ নাটক 'প্ৰসন্নৰাঘৱ'ৰ এটি শ্লোক উল্লেখ কৰিছে। এই প্ৰসঙ্গৰ পৰা সহজেই বিশ্বনাথৰ আবির্ভাৱ ত্ৰয়োদশ শতিকা বুলি অনুমান কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ বিশ্বনাথ কবিৰাজৰ পিতৃৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৮ ঃ বিশ্বনাথ কবিৰাজ কি পদত নিযুক্ত আছিল?

.....

প্ৰশ্ন নং ৯ ঃ গীতগোবিন্দৰ লিখক কোন?

.....

প্ৰশ্ন নং ১০ ঃ বিশ্বনাথ কোন শতিকাৰ?

.....

২.৫ লিখকৰ অন্য গ্ৰন্থসমূহ

বিশ্বনাথ সুকবি আছিল আৰু 'কবিৰাজ' উপাধি কবিত্বশক্তিৰ বাবেই লাভ কৰিছিল। অলংকাৰশাস্ত্ৰৰ বিভিন্ন তত্বসমূহ ব্যাখ্যা কৰিবলৈ নিজে ৰচনা কৰা সংস্কৃত আৰু প্ৰাকৃত শ্লোকসমূহ উদ্ধৃত কৰিছিল। সাহিত্যদৰ্পণৰ উপৰিও কেইবাখনো গ্ৰন্থ আৰু টীকাৰচনা কৰিছিল। এই সকলো গ্ৰন্থৰ উল্লেখ সাহিত্যদৰ্পণতেই পোৱা যায়। তেখেতৰ গ্ৰন্থসমূহ তলত উল্লেখ কৰা হ'ল—

১) ৰাঘৱবিলাস — মহাকাব্য
২) কুবলয়াশ্বচৰিত — প্ৰাকৃতকাব্য
৩) প্ৰভাৱতী পৰিণয় — নাটিকা
৪) চন্দ্ৰকলা — নাটিকা
৫) প্ৰশস্তিৰত্নাৱলী — ১৬ টা ভাষাত ৰচিত **কৰম্ভক**
৬) কংসবধ — নাটক



কৰম্ভক ঃ বিবিধ ভাষাত ৰচিত গদ্য পদ্যময় শ্ৰব্যকাব্যক কৰম্ভক বোলে।

ইয়াৰ উপৰিও আৰু দুখন গ্ৰন্থৰ উল্লেখ পোৱা যায়। 'নৰসিংহবিজয়' নামৰ এখন কাব্য আৰু কাব্যপ্ৰকাশৰ ওপৰত ৰচিত 'কাব্যপ্ৰকাশদৰ্পণ' নামৰ টীকা এটিৰ নামো পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ঃ বিশ্বনাথ কবিৰাজে লিখা প্ৰাকৃত কাব্যখনৰ নাম কি?

.....

প্ৰশ্ন নং ১২ঃ শুদ্ধ উত্তৰ লিখক।

'ৰাঘববিনাস' এখন মহাকাব্য/প্ৰাকৃতকাব্য।

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি—

- সাহিত্যদৰ্পণ গ্ৰন্থখনিৰ বিষয়ে জানিব পাৰিলো।
- গ্ৰন্থখনিৰ দহটা অধ্যায়ৰ প্ৰত্যেকটিৰে বিষয়বস্তুৰ বিষয়েও জ্ঞান লাভ কৰিলো।
- ইয়াৰ উপৰিও গ্ৰন্থখনিৰ লিখক বিশ্বনাথ কবিৰাজৰ জীৱনবৃত্তান্তৰো সম্যগ জ্ঞান লাভ কৰিলো।
- তাৰোপৰি লিখকৰ অন্যান্য বিভিন্ন বিষয়ক ৰচনাসমূহৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হ'লো।



২.৭ অধিক জানিবলৈ

১) শাস্ত্রী, ড° বিশ্বনাৰায়ণ, (১৯৯৯), *সাহিত্যদর্পণ*, অনুবাদ আৰু সম্পাদনা, গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন।

২) কানে, পি ভি, (১৯৯৪), *হিষ্টৰি অফ ইণ্ডিয়ান পোয়েটিক্স*, দিল্লী ঃ মতিলাল বানাৰসিদাস।

৩) সিদ্ধান্তবাগীশ, হৰিদাস, *সাহিত্যদর্পণ*, সম্পাদক, কলিকতা।



২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণৰ ওপৰত ৰচিত এটি টীকাৰ নাম লক্ষ্মী টীকা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কাব্যপ্ৰকাশৰ ৰচয়িতা মম্মট।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণ অলংকাৰশাস্ত্ৰবিষয়ক গ্ৰন্থ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণৰ দ্বিতীয় অধ্যায়ত বাক্যৰ স্বৰূপ নির্ণয় কৰা হৈছে

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণত মুঠ দহটা পৰিচ্ছেদ আছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণৰ মঙ্গলাচৰণ শ্লোকত দেৱী সৰস্বতীৰ আৰাধনা কৰা হৈছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজৰ পিতৃৰ নাম আছিল চন্দ্ৰশেখৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজ সন্ধিবিগ্ৰহিক পদত নিযুক্ত আছিল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ গীতগোবিন্দৰ ৰচক জয়দেৱ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বনাথ ত্ৰয়োদশ শতিকাৰ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ কুবলয়াশ্বচৰিত মহাকাব্য

১২ নং প্ৰশ্নৰ উত্তৰ ঃ মহাকাব্য



২.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'কাব্যপ্ৰকাশ'ৰ বিষয়ে চমুকৈ লিখক।

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'সাহিত্যদর্পণ'ৰ গ্ৰন্থকাৰৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ 'সাহিত্যদর্পণৰ পৰিচ্ছেদসমূহৰ পৰিচয় বর্ণনা কৰক।

*** ***** ***